# মন কি বাত

খণ্ড – 3



# MANN KI BAAT

## VOL.3

**Script Writers**
Sarda Mohan and Shashi Mukherjee

**Illustrations and Cover Art**
Dilip Kadam

**Assistant Artist**
Ravindra Mokate

**Production**
Amar Chitra Katha

**Layout Artist**
Tarangini Mukherjee

**Published by**
Amar Chitra Katha Pvt. Ltd

**Assamese**

ISBN - 978-81-19242-94-8

Amar Chitra Katha Pvt. Ltd, June 2023

© Ministry of Culture, Govt of India, June 2023
All rights reserved. This book is sold subject to the condition that the publication may not be reproduced, stored in a retrieval system (including but not limited to computers, disks, external drives, electronic or digital devices, e-readers, websites), or transmitted in any form or by any means (including but not limited to cyclostyling, photocopying, docutech or other reprographic reproductions, mechanical, recording, electronic, digital versions) without the prior written permission of the publisher, nor be otherwise circulated in any form of binding or cover other than that in which it is published and without a similar condition being imposed on the subsequent purchaser.

You can now get ACK stories as part of your classroom with **ACK Learn**, a unique learning platform that brings these stories to your school with a range of workshops. Find out more at **www.acklearn.com** or write to us at **acklearn@ack-media.com**.

আমাৰ দেশ প্ৰাচীন জ্ঞান আৰু প্ৰজ্ঞাৰে পৰিপূৰ্ণ, কিন্তু আধুনিকতাৰ দিশে দৌৰাৰ ফলত তাৰে বহুখিনি পাহৰণি গৰ্ভত হেৰাই গৈছে। আগবঢ়াটো ভাল যদিও পিছলৈ ঘূৰি চাই আমাৰ পূৰ্বপুৰুষসকলে আমাৰ বাবে থৈ যোৱা বিভিন্ন পৰম্পৰাসমূহৰ শলাগ লোৱাটোও সমানেই গুৰুত্বপূৰ্ণ।

এনে চিন্তায়েই মালিং গম্বুক গছৰ পৰিৱৰ্তে শ্বুগু শ্বেং নামৰ জোপোহা গছৰ ছালৰ পৰা কাগজ নিৰ্মাণৰ 1000 বছৰীয়া শিল্পটোক পুনৰুজ্জীৱিত কৰিবলৈ অনুপ্ৰাণিত কৰিছিল।



আমাৰ মন কি বাত কমিক ছিৰিজৰ তৃতীয় খণ্ডত আপুনি জানিব পাৰিব অৰুণাচল প্ৰদেশৰ এই আচৰিত ব্যক্তিজনৰ বিষয়ে, যি তেওঁৰ মনপা জনগোষ্ঠীয়ে তৈয়াৰ কৰা পৰিবেশ-অনুকুল কাগজক এক নতুন জীৱন দান কৰিছে।

আপুনি কেতিয়াবা জল এম্বুলেন্সৰ কথা শুনিছেনে? কাশ্মীৰৰ শ্ৰীনগৰৰ ধুনীয়া দাল হ্ৰদত জল এম্বুলেন্স সেৱা আগবঢ়োৱা তাৰিক আহমেদ পাটলুৰ কাহিনী পঢ়ক, আৰু সেয়াও, কভিড-19 লকডাউনৰ সময়ত।

আগবাঢ়ি আহি এটা ব্যতিক্ৰমী কাম কৰাটো সহজ নহয়। ইয়াৰ বাবে প্ৰয়োজন সাহস, দৃঢ়তা আৰু ভীতিহীনতা। কিন্তু আপুনি ব্যতিক্ৰমী চিন্তাৰে কোনো কাম এবাৰ কৰিব পাৰিলেই - কৰিব খোজা কামটোত হাত দি চৰম সন্তুষ্টি লাভ কৰিব।

আপোনালোকৰ প্ৰতি সদায় আছে মোৰ স্নেহ আৰু আশীৰ্বাদ।

# সূচীপত্ৰ


| | | |
|---|---|---|
| 1 | মালিং গম্বু | 3 |
| 2 | উৰগেইন ফুনচ'গ | 6 |
| 3 | শ্ৰীনিৱাস পদকণ্ডলা | 9 |
| 4 | ভাগ্যশ্ৰী চাহু | 12 |
| 5 | ৰাম লটন কুশ্বাহা | 14 |
| 6 | তাৰিক আহমেদ পাটলু | 17 |
| 7 | সঞ্জয় কচ্ছপ | 19 |
| 8 | হৰিশ্চন্দ্ৰ সিং | 22 |
| 9 | সচ্চিদানন্দ ভাৰতী | 24 |
| 10 | চিকাৰী টিচো | 27 |
| 11 | পি এম মুৰুগেসন | 30 |

# মালিং গম্বু




*সাধাৰণতে পেপিয়াৰ-মেচ নামে জনপ্ৰিয় – ই হ'ল কাগজৰ মণ্ড আৰু আঠাৰ মিশ্ৰণ




* পানীৰ সৈতে কাঠৰ ছাইৰ মিশ্ৰণ


মই এখন মঞ্চ তৈয়াৰ কৰিছো য'ত যুৱক-যুৱতীসকলে যোগদান কৰাটো বিচাৰো।
ই কিহৰ বাবে?
আমি আমাৰ জনজাতি আৰু আমাৰ পৰম্পৰাৰ উন্নতিৰ হকে কাম কৰিম।
মালিঙে 'ইউথ একচন ফৰ ট্ৰাইবেল ৱেলফেয়াৰ' আৰম্ভ কৰিছিল, আৰু বহু সদৃশ-মনা লোকে ইয়াত যোগদান কৰিছিল।
প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে মান কি বাত অনুষ্ঠানত মালিঙৰ কামৰ শলাগ লয়।
মনপাসকলে এই কাগজ শ্বুগু শ্বেং নামৰ গছৰ বাকলিৰ পৰা তৈয়াৰ কৰে, সেয়েহে এই কাগজ প্ৰস্তুত কৰিবলৈ গছ কাটিব নালাগে। ইয়াৰ উপৰিও ইয়াত কোনো ৰাসায়নিক পদাৰ্থ ব্যৱহাৰ নহয়। এতিয়া স্থানীয় সমাজকৰ্মী গম্বুৱে এই কলাক পুনৰুজ্জীৱিত কৰাৰ লগতে নিজৰ জনজাতিক কৰ্মসংস্থাপন দিয়াৰ প্ৰয়াস কৰিছে।
মন শ্বুগুৰ বিষয়ে জানিবলৈ পাই খাদী আৰু গ্ৰামোদ্যোগ আয়োগৰ অধ্যক্ষ বিনয় কুমাৰ ছাক্সেনা উৎফুল্লিত হৈ পৰিছিল।
আমি এই কাগজ বৃহৎ পৰিমাণে উৎপাদন কৰিবলৈ এটা কাৰখানা স্থাপন কৰিব লাগিব।
বহু পূৰ্বে চেষ্টা কৰা হৈছিল যদিও ভৌগলিক অৱস্থান আৰু দুৰ্বল আন্তঃগাঁথনিৰ বাবে ই সহজ নহয়।
সকলো সমস্যাৰ মাজতো ছাক্সেনাই টাৱাঙত এটা উৎপাদন ইউনিট স্থাপন কৰাত সহায় কৰিছিল।
আপুনি সুখীনে?
বৰ সুখী, বিনয়! আমি প্ৰতিদিনে 500 খন কাগজ বিক্ৰী কৰো! আপুনি জানেনে যে এই কাগজখনত লিখনি 5000 বছৰলৈ সংৰক্ষণ কৰিব পাৰি?
মন শ্বুগুৰ কাহিনীয়ে প্ৰমাণ কৰে যে কিছু পৰিশ্ৰম কৰিলে ভাৰতৰ থলুৱা কলা-শিল্প সংৰক্ষণ কৰিব পৰা যায়।

# উৰগেইন ফুনচ'গ




*লাডাখৰ ভৌতি ভাষাত মা

^ইন্দো-তিব্বেটান বৰ্ডাৰ পুলিচ

**ভৌতি ভাষাত জেষ্ঠা ভগ্নী




*কাঁচ বা প্লাষ্টিকেৰে নিৰ্মিত এক ঘৰ যি জলবায়ু-নিয়ন্ত্ৰিত পৰিবেশৰ সৃষ্টি কৰে

^এক জৈৱিক সাৰ

**গৰম, ঠাণ্ডা বা শুষ্কতাৰ পৰা সুৰক্ষা দিবলৈ মাটিক খেৰ আৰু অন্য উদ্ভিদজাত সামগ্ৰীৰে ঢাকি ৰখা


উৰগেইনৰ সফলতাৰ খবৰ দূৰ-দূৰণিলৈ বিয়পি পৰিল।
আপুনি 14000 ফুট উচ্চতাত তৰমুজৰ খেতি কৰিছে! এয়া অবিশ্বাস্য!
হা হা! আপোনাৰ চকুৰ আগতে আছে।
ইন্টাৰনেশ্যনেল জাৰ্নেল অৱ কাৰেণ্ট মাইক্ৰ'বায়'লজি এণ্ড এপ্লাইড ছায়েন্সে 2019 চনত তেওঁৰ ওপৰত এখন গৱেষণা পত্ৰ প্ৰকাশ কৰিছিল।


চৰকাৰে তেওঁৰ কঠোৰ পৰিশ্ৰমৰ শলাগ লৈ ৰাজ্যিক বঁটাৰে সন্মানিত কৰে।
ATE AWARDS
বিবিচি আৰু নেচনেল জিঅ'গ্ৰাফিক আদিৰ দৰে আন্তঃৰাষ্ট্ৰীয় সংস্থাযো এই কামৰ শলাগ লৈছিল।


2016 চনত তেওঁ ভাতৃ ষ্টেনজিনৰ তথ্যচিত্ৰ 'দ্য শ্বেফাৰ্ডেছ অৱ দ্য গ্লেচিয়াৰছ'ত ভাগ লয়।
DHAR
INTE
FILM
এই তথ্যচিত্ৰখনে 17 টা ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বঁটা লাভ কৰে।


পৰিয়ালৰ সহায়ত উৰগেইনে বিভিন্ন ধৰণৰ শস্যৰ খেতি কৰে, পশু পালন কৰে আৰু লগতে এটা ঘৰুৱা-অতিথিগৃহ চলায়।
মোৰ পৰিয়াল অবিহনে মোৰ কোনো পৰিচয় নাই - মোৰ ভনী, চেৰিং, মোৰ ভাইটি, ষ্টেনজিন আৰু মোৰ পত্নী চাম্বা। মই তোমালোক সকলোকে ভাল পাওঁ।
অনবৰতে নতুনত্ব আৰু ডাঙৰ সপোন দেখি থকাসকলৰ বাবে একোৱেই অসম্ভৱ নহয় বুলি উৰগেইনে প্ৰমাণ কৰিছে।

# শ্ৰীনিৱাস পদকণ্ডুলা




মই পেলনীয়া ধাতু কিনিব বিচাৰো। মই ইয়াৰ উচিত ব্যৱহাৰ কৰিম।
সোনকালেই –
এইটো কেনেকুৱা লাগিছে?
অতি সুন্দৰ।
শ্ৰীনিৱাসে পেলনীয়া ধাতু, কাঠ আৰু শিল ব্যৱহাৰ কৰি ভাস্কৰ্য নিৰ্মাণ কৰিবলৈ আৰম্ভ কৰে।
তাৰপিছত শ্ৰীনিৱাসে বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ পৰা চাৰুকলা বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। সোনকালেই –
অন্ধ্ৰ বিশ্ববিদ্যালয়ে এটা সৃষ্টিশীল ভাস্কৰ্য শিবিৰৰ আয়োজন কৰিছে। তুমি আগ্ৰহী নেকি?
নিশ্চয়, মোৰ দক্ষতা প্ৰদৰ্শনৰ বাবে ই এক সুন্দৰ সুযোগ।
শ্ৰীনিৱাসে সমগ্ৰ দেশতে ভাস্কৰ্য শিবিৰ আৰু প্ৰদৰ্শনীত অংশগ্ৰহণ কৰিবলৈ আৰম্ভ কৰে।
কেইবছৰমান পিছত –
ভিএমচিৰ উদ্যোগত ভাস্কৰ্য শিবিৰ আয়োজন কৰা হৈছে। মই তাত উদীয়মান শিল্পীসকলক পেলনীয়া ধাতুৰে ভাস্কৰ্য নিৰ্মাণ কৰিবলৈ শিকাম।
সুন্দৰ কথা। ময়ো যাম!
সোনকালেই –
শিবিৰত মই আপোনাৰ আকৰ্ষণীয় ভাস্কৰ্যসমূহ দেখিলো। মই বিচাৰো যে আপুনি সমগ্ৰ বিজয়ৱাড়াতে এনে ভাস্কৰ্য স্থাপন কৰি চহৰৰ সৌন্দৰ্য্যবৰ্ধন কৰক।
নিশ্চয় ছাৰ। মই সন্মানিত অনুভৱ কৰিম।
শ্ৰীনিৱাসৰ সৈতে কথা পতা মানুহজন আছিল তেতিয়াৰ বিজয়ৱাড়াৰ পৌৰ আয়ুক্ত জি বীৰপাণ্ডিয়ান।




*অন্ধ্ৰপ্ৰদেশৰ আন এখন নগৰ

# ভাগ্যশ্ৰী চাহু




*প্ৰাকৃতিক ৰং ব্যৱহাৰ কৰি কাপোৰত কৰা স্ক্ৰ'ল পেইন্টিং

**পটচিত্ৰ শিল্পীসকলৰ এখন গাওঁ

^উৰিষ্যাৰ পুৰী জিলাত প্ৰযুক্তিবিদ্যাৰ স্নাতকোত্তৰ


কেইমাহমানৰ পিছত –
তুমি সঁচাকৈয়ে সেইবোৰ বিক্ৰী কৰাৰ কথা চিন্তা কৰা! সেইবিলাক সঁচাই ধুনীয়া।
তুমি মোৰ বাবে কেনভাচত এক চিত্ৰ অংকন কৰিব পাৰিবানে? মই ঘৰলৈ লৈ যাম।
নিশ্চয়, মই তোমাৰ বাবে এখন আঁকিম, কিন্তু কেনভাচত?
ভাগ্যশ্ৰীয়ে তেওঁৰ বন্ধুসকলক ধেনকানালৰ ব্ৰাহ্মণী নদীৰ পাৰলৈ লৈ গৈছিল।
মই এই শিলবোৰত ৰং কৰিব পাৰো। সেইবোৰ বৃত্তাকাৰ, মসৃণ আৰু সঠিক আকাৰৰ।
সুন্দৰ! ই কেনভাচতকৈও ভাল হ'ব পাৰে।
ভাগ্যশ্ৰীয়ে ৰং কৰা শিলবোৰ সোনকালেই অতি জনপ্ৰিয় হৈ পৰিল।
বাহ, এইবোৰ অতি আকৰ্ষণীয়! তুমি আঁকা বুলি মোৰ বিশ্বাসেই নহয়।
ধন্যবাদ! এই শিলবোৰক এক নতুন ৰূপ দিয়াটো মই বেছ উপভোগ কৰিছো।
মহামাৰীৰ সময়ত, ভাগ্যশ্ৰীয়ে খালী বটল, টিন আৰু বাল্ব সংগ্ৰহ কৰিবলৈ আৰম্ভ কৰিলে। কিছুদিনৰ পিছত –
মা, তুমি এই বটল আৰু বাল্ববোৰ চিনি পাইছানে?
সুন্দৰ! তুমি কেৱল শিল্পীয়েই নহয়, লগতে পৰিৱেশকো সহায় কৰিছা।
ভাগ্যশ্ৰীৰ দৰে, হয়তো আমি সকলোৱেই কলাৰ জৰিয়তে আমাৰ জীৱন আৰু চাৰিওফালৰ পৃথিৱীখনক ৰঙীণ কৰি তুলিব পাৰো।

# ৰাম লটন কুশ্ৱাহা










*পিতৃ


ইয়াক চুই-ধাগা বুলি কোৱা হয়।
আৰু ই ঘাঁ চিলাই আৰু ভাল কৰে!
চুই ধাগা মানে বেজী আৰু সূতা আৰু ৰাম লটনৰ পুত্ৰ শুদ্ধ আছিল - ইয়াক প্ৰাচীনকালৰ পৰাই তৰোৱালৰ দ্বাৰা সৃষ্টি হোৱা গভীৰ ক্ষত আৰোগ্য কৰিবলৈ ব্যৱহাৰ কৰি অহা হৈছে।
বনৌষধিৰ বিষয়ে আপুনি ইমানখিনি কেনেকৈ জানে?
মই তোমাৰ ককা আৰু আজোককাৰ পৰা এইবিলাক শিকিলো
আপুনি মোক সকলো শিকাব লাগিব।
মই তোমাক আৰু তোমাৰ সৰু ভাইটিক শিকাম।
2016 চনত, ৰাম লটন ৰাজ্যিক জৈৱ বৈচিত্ৰ্য ব'ৰ্ডৰ সৈতে 40 খন জিলা ভ্ৰমণ কৰা 5 জনীয়া দলৰ সদস্য আছিল।
এনে বহুতো স্থানীয় বীজ আছে যাক সুৰক্ষিত কৰিব লাগিব।
যেতিয়া ৰাম লটন ঘৰলৈ উভতি আহিল -
জাগ্নী, বীজ আৰু ফলসমূহ সংৰক্ষণ কৰাৰ সঠিক উপায়টো মই বুজি পাইছো।
ঠিক আছে, আশাকৰো আমি কিছু অতিৰিক্ত ধন লাভ কৰিব পাৰিম!
পৰিয়ালটো ডাঙৰ হোৱাৰ বাবে সুচাৰুৰূপে ঘৰ চলোৱাটো জাগ্নীৰ বাবে সহজ নাছিল।


বনৌষধি আৰু উদ্ভিদ সংৰক্ষণৰ লক্ষ্যৰে বীজ সংগ্ৰহ কৰিবলৈ ৰাম লটনে বহু দূৰ পৰ্যন্ত ভ্ৰমণ কৰিছিল। হিমালয়ৰ পৰা...
ভাই, মই ব্ৰাহ্মীৰ শিপা ক'ত পাম?
... সাতপুৰা আৰু বিন্ধ্য পৰ্বতমালালৈ।
ৰাম লটনে তেওঁৰ ডেৰ একৰ মাটিত 250 প্ৰকাৰৰ ঔষধি উদ্ভিদ আৰু থলুৱা শাক-পাচলিৰ খেতি কৰিলে
মানুহে কৈছিল যে হিমালয়ৰ উদ্ভিদসমূহ ইয়াত নগজে। কিন্তু চোৱা, সেইবোৰ লহপহকৈ বাঢ়ি আহিছে।
আপোনাৰ হাতত যাদু আছে, ৰাম লটন জী!
ৰাম লটনৰ ঘৰত এটা 'দেশী' সংগ্ৰহালয় আছে য'ত বিভিন্ন প্ৰকাৰৰ লাও-জাতীয় পাচলি আৰু বিৰল বীজ প্ৰদৰ্শন কৰা হয়।
ৰাম লটনজীৰ প্ৰচেষ্টাই আমাক থলুৱা উদ্ভিদৰ বিষয়ে গৌৰৱান্বিত আৰু সচেতন কৰি তোলে।
ৰাম লটনৰ এই যাত্ৰাত আগ্ৰীয়ে সতৰ্ক দৃষ্টি ৰাখিছে আৰু ৰাম লটনে ইয়াক মানি লৈছে।
তেওঁ বুঢ়া হৈ আহিছে আৰু কাম অব্যাহত ৰাখিবলৈ তেওঁক সহায়ৰ প্ৰয়োজন।
যদি মই বেৰা দিয়া আৰু বছৰজুৰি পানী যোগানৰ বাবে কুঁৱা খন্দাত সহায় পাও, তেন্তে অমূল্য বীজসমূহৰ সংৰক্ষণৰ বাবে আৰু অধিক কৰিব পাৰো।

# তাৰিক আহমেদ পাটলু



শ্ৰেয়াস, চৰণ আৰু পাৰুল আজি অনুপস্থিত কিয়?
আশাকৰো তেওঁলোকৰ আকৌ ক'ভিড হোৱা নাই।
মযো সেয়াই আশা কৰো। চিকিৎসালয়ত বিচনাৰ অভাৱৰ বাবে বহু লোকে কষ্ট পাইছিল। গাওঁবোৰৰ পৰিস্থিতি অধিক বেয়া আছিল।
সঁচা কথা, কিন্তু যিসকলে বিভিন্ন ধৰণে মানুহক সহায় কৰিছিল তেওঁলোকক আমি পাহৰি যাব নালাগে, যেনে, কাশ্মীৰৰ তাৰিক আহমেদ পাটলু।
কাশ্মীৰৰ শ্ৰীনগৰৰ ধুনীয়া হ্ৰদসমূহত হানজি বা 'পানীবাসী' নামৰ লোকৰ এটা গোটে বাস কৰে। তেওঁলোকে নাওত বাস কৰাৰ উপৰিও কামো কৰে। পাৰলৈ যাবলৈ, তেওঁলোকে শিকাৰা নামৰ সৰু নাওবোৰত হিচ্ছহাইকিং বা 'তাৰ' নামৰ এটা প্ৰণালী ব্যৱহাৰ কৰে।
2020 চনত, যেতিয়া সমগ্ৰ বিশ্ব ক'ভিড-19 মহামাৰীত আক্ৰান্ত হৈছিল –
উহ! মই উশাহ ল'ব পৰা নাই। মোক হস্পিতাললৈ লৈ ব'লা।
মই তোমাক নি'ব নোৱাৰো। মযো সংক্ৰমিত হ'ম।
তাৰিক আহমেদ পাটলু দাল হ্ৰদৰ এটা হাউচবোটৰ গৰাকী আছিল। তেওঁৰ ক'ভিড হৈছিল যদিও কোনেও তেওঁক চিকিৎসালয়লৈ লৈ যাবলৈ সাজু নাছিল।
অৱশেষত, এজন বন্ধুৱে তেওঁক লৈ গ'ল। চিকিৎসালয়ত –
বহুতো লোকৰ মৃত্যু হৈছে কাৰণ তেওঁলোক যথাসময়ত চিকিৎসালয়ত উপস্থিত হ'ব পৰা নাই
সৌভাগ্যক্ৰমে, তাৰিক সুস্থ হৈ উঠিল, কিন্তু এইক্ষেত্ৰত যে উচিত পদক্ষেপৰ প্ৰয়োজন সেয়া বুজি উঠিল।


তেওঁ দিল্লীস্থিত এনজিঅ’ সত্য ৰেখা ট্ৰাষ্টৰ সৈতে কথা পাতিলে।
মই দাল হ্ৰদত এম্বুলেন্স সেৱা আৰম্ভ কৰিব বিচাৰো যাতে মোৰ দৰে কোনেও কষ্ট নাপায়।
বৰ ভাল চিন্তা। আমি আপোনাক সহায় কৰিম।
ট্ৰাষ্টৰ সহায়ত, তাৰিকে এখন নাও নিৰ্মাণ কৰিলে, আৰু সেইখনত জৰুৰীকালীন সেৱাৰ সা-সুবিধা আৰু এটা চাইৰেণ লগোৱা হ’ল।
মোৰ জল-এম্বুলেন্স! ইয়াত এখন বিচনা, অক্সিজেন কনচেন্ট্ৰেটৰ, চিলিণ্ডাৰ, মাস্ক, চেনিটাইজাৰ, পিপিই কিট, ষ্ট্ৰেচাৰ, হুইলচেয়াৰ, লাউডস্পীকাৰ আৰু জৰুৰীকালীন কিট আছে।
তেওঁ ডুবন্ত হাউচবোটবোৰক সহায় কৰিবলৈ এটা অগ্নি-নিৰ্বাপক সঁজুলিও উপলব্ধ কৰি ৰাখিছিল।
তাৰিকে হ্ৰদৰ লোকসকলক তেওঁৰ ফোন নম্বৰ দিছিল আৰু সংকটৰ সময়ত অতি সোনকালেই উপস্থিত হৈছিল।
AMBULAN
চিন্তা নকৰিব। আপুনি ভাল হৈ যাব। আমি আপোনাক চিকিৎসালয়লৈ নি আছো।
তেওঁ চিকিৎসালয়ৰ এম্বুলেন্সৰ সৈতেও যোগাযোগ স্থাপন কৰিছিল যাতে তেওঁলোকে পাৰত অপেক্ষা কৰি থাকে। তেওঁৰ সকলো সেৱা বিনামূলীয়া আছিল, আৰু বৰ্তমানেও বিনামূলীয়া।
হ্ৰদৰ যিকোনো জৰুৰীকালীন অৱস্থাত তাৰিকক মাতি অনা হয়। তেওঁক কামত সহায় কৰে তেওঁৰ 10 বছৰীয়া জীয়েক জন্নতে,
সাৱধান। ৰঙা নাও! দাল হ্ৰদ আমাৰ ঘৰ। অনুগ্ৰহ কৰি আপুনি দলিয়াই দিয়া বটলটো তুলি লওক।
সপ্তাহত দুবাৰকৈ, দেউতাক আৰু জীয়েকে নাও চলাই হ্ৰদৰ আৱৰ্জনা সংগ্ৰহ কৰে।
2021 চনৰ জুন মাহত প্ৰধানমন্ত্ৰী মোডীয়ে মন কি বাতত তেওঁৰ বিষয়ে উল্লেখ কৰিছিল। তাৰিকৰ এটা অনুৰোধ আছে।
মোক এটা হেল্পলাইন নম্বৰ আৰু এজন চিকিৎসকৰ প্ৰয়োজন যি মোৰ এম্বুলেন্সত ৰোগীসকলক চিকিৎসা কৰিব।
নাগৰিকৰ এনেধৰণৰ পদক্ষেপক চৰকাৰ আৰু সমাজে সমৰ্থন কৰিব লাগিব।

# সঞ্জয় কচ্ছপ



মই শুনিছো যে স্কুলৰ পুথিভঁৰাললৈ কিছুমান নতুন কাহিনীপুথি আহিছে।
বৰ ভাল কথা! গাওঁত বাস কৰা মোৰ সম্পৰ্কীয় ভনী পিংকিৰ স্কুলত কোনো পুথিভঁৰাল নাই।
হয়তো গাওঁবোৰত কোনো পুথিভঁৰাল নাই।
আজিৰ মন কি বাতৰ কাহিনীটো হ'ল সঞ্জয় কচ্ছপ নামৰ এজন লোকৰ বিষয়ে, যাক ঝাৰখণ্ডৰ লাইব্ৰেৰীমেন বুলি জনা যায়।
ঝাৰখণ্ডৰ এখন দূৰৱৰ্তী গাঁৱত ৰাজ্য চৰকাৰৰ কৰ্মচাৰী সঞ্জয় কচ্ছপ। এদিন সন্ধিয়া –
আৰু 15 মিনিট। মই এতিয়াও কিতাপখন পঢ়ি শেষ কৰা নাই।
নহয়। মই আৰু অপেক্ষা কৰিব নোৱাৰো। তুমি ইতিমধ্যে এঘণ্টা ধৰি পঢ়িছা!
হেই, কি হৈছে?
আমাৰ ওচৰত বুৰঞ্জীৰ কিতাপ এখনহে আছে। আমি দুয়ো গুপ্ত সাম্ৰাজ্যৰ বিষয়ে পঢ়ি আছো। মোকো কিতাপখনৰ প্ৰয়োজন।
এইসকল শিক্ষাৰ্থীয়ে পঢ়িবলৈ পৰ্যাপ্ত কিতাপ থকাটো মই বিচাৰো। কি কৰিলে ভাল হ'ব গম পাইছো।
পিছদিনা ৰাতিপুৱা সঞ্জয় স্থানীয় চাহ-দোকানখনলৈ গ'ল।
মই গাওঁখনৰ বয়োজ্যেষ্ঠসকলক ক'ত লগ পাম?
আমাৰ এটা সামূহিক কেন্দ্ৰ আছে য'ত গাওঁ সম্পৰ্কে আলোচনা কৰিবলৈ প্ৰতিপুৱা তেওঁলোক গোট খায়।




*ঝাৰখণ্ডৰ পশ্চিম সিংহভূম জিলাৰ এখন গাওঁ




*ইণ্টাৰনেটৰ সহায়ত বৃহৎ সংখ্যক লোকৰ পৰা ধন সংগ্ৰহ।

# হৰিশ্চন্দ্ৰ সিং




*ভাৰতীয় হাবি-আমলখি

^চেনী পানীত সংৰক্ষণ কৰি ৰখা হাবি-আমলখি

**উত্তৰ প্ৰদেশৰ এখন জিলা




*এক কুইন্টল ১০০ কিলোগ্ৰামৰ সমান।

# সচ্চিদানন্দ ভাৰতী




*এটা আন্দোলন য'ত গাওঁবাসীয়ে গছক সুৰক্ষা দিয়াৰ প্ৰচেষ্টাত আলিংগন কৰিছিল।

^উত্তৰাখণ্ডৰ চামোলি জিলাৰ এখন চহৰ।




*উত্তৰাখণ্ডৰ পাউৰী গড়ৱাল জিলাত অৱস্থিত এখন গাওঁ।
^উত্তৰাখণ্ডত 25 কিলোমিটাৰ ধৰি থকা এটা পৰ্বতমালা।
**পানীৰ গাঁত
^^জল সংৰক্ষণ আন্দোলন


পৰৱৰ্তী বছৰসমূহত, তেওঁলোকৰ প্ৰচেষ্টাই বৃহৎ সফলতাৰ মুখ দেখিছিল।
সুখ ৰাউলা* এতিয়া গোটেই বছৰ ধৰি প্ৰবাহিত হয়!
হয়, আগতে বৰষুণৰ সময়ত পানীৰে ভৰি উঠিছিল আৰু নৱেম্বৰৰ ভিতৰত শুকাই গৈছিল।
পানীৰ গাঁতসমূহৰ বাবেহে এয়া সম্ভৱ হৈ উঠিছে।
গাওঁবাসীয়ে সুখ ৰাউলাক তেওঁলোকৰ গাওঁ গড়খাৰকৰ নামেৰে গাড়গংগা ৰূপে নামাকৰণ কৰে।
জল তলাইয়াৰ লগতে, সচ্চিদানন্দই বৰষুণৰ পানী অধিক পৰিমাণে ধৰি ৰাখিবলৈ আৰু বন সংৰক্ষণৰ বাবে পৰ্বতসমূহত শ শ পুখুৰী আৰু খাল নিৰ্মাণ কৰিছিল।
আমি এতিয়া জুৰিসমূহৰ পৰা গোটেই বছৰ ধৰি পানী পাব পাৰো।
এনে প্ৰচেষ্টাৰ বাবে সচ্চিদানন্দক বহুতো বঁটা প্ৰদান কৰা হৈছে, সেইসমূহৰ ভিতৰত আছে - উত্তৰাখণ্ড সেউজ বঁটা 2011, মহাত্মা গান্ধী ৰাষ্ট্ৰীয় বঁটা 2013, ইন্দিৰা গান্ধী পৰিৱেশ বঁটা 2015, ইত্যাদি।
2021 চনৰ জুন মাহত প্ৰধানমন্ত্ৰী মোডীয়ে তেওঁৰ মন কি বাত কাৰ্যসূচীত সচ্চিদানন্দ ভাৰতী আৰু তেওঁৰ প্ৰচেষ্টাক স্বীকৃতি দিয়ে।
আজি, পাউৰী গড়ৱাল পাহাৰৰ 150 খন গাঁৱত 30,000 এনে পানীৰ গাঁত আছে।
পৰিৱেশৰ সেৱা কৰি, মই অনুভৱ কৰো যে মোৰ জীৱন ধন্য হৈছে।
সচ্চিদানন্দ আৰু গাওঁবাসীয়ে 50 লাখৰো অধিক গছপুলি ৰোপণ কৰিছে। আৰু পানীৰ গাঁতবোৰে বনজুই প্ৰতিহত কৰিছে

*শুকান গিৰিখাত

# চিকাৰী টিচো




*উড়িয়া ভাষাত - দুঃখিত
^অসমৰ অন্যতম বৃহৎ জিলা
**কাৰ্বি ভাষাত সম্ভাষণ


এদিন সন্ধিয়া -
মই মোৰ আইতাৰ পৰা কেইটামান নিচুকনী গীত শুনিছিলো। তুমি সেইবোৰো লিখিব খোজা নেকি?
সুন্দৰ! সকলো সংস্কৃতিতে নিচুকনী গীতৰ এক গুৰুত্বপূৰ্ণ স্থান আছে। যদি আপুনি গাই দিয়ে, মই ৰেকৰ্ড কৰি ল'ম।
মহিলাগৰাকী সন্মত হৈছিল আৰু চিকাৰীয়ে নিচুকনী গীতৰ ৰেকৰ্ডিং আৰম্ভ কৰিছিল।
সোনকালেই -
মই শুনিছো যে আপুনি কাৰ্বি সংস্কৃতিৰ ওপৰত ভিডিঅ' তৈয়াৰ কৰিছে। এইজন মোৰ বন্ধু আৰু তেওঁ কাৰ্বি লোকগীত আৰু কাহিনীত পাকৈত। তেওঁ সহায় কৰিব পাৰিবনে?
নিশ্চয়! গীত আৰু কাহিনীয়ে শিশুসকলৰ মাজত ভাষাটোৰ প্ৰতি আগ্ৰহ সৃষ্টি কৰিব।
চিকাৰীয়ে কাৰ্বি গীত আৰু কাহিনীৰ এটা আকৰ্ষণীয় সংকলন প্ৰস্তুত কৰি উলিয়াইছিল।
অধিক তথ্য সংগ্ৰহৰ বাবে, চিকাৰীয়ে অসম আৰু মেঘালয় ভ্ৰমণ কৰিছিল। তেওঁৰ উভতি অহাৰ পিছত-
ঠাই অনুসৰি কাৰ্বি ভাষা কোৱাৰ ধৰণ সলনি হয়। তেওঁলোকে আমাৰ কাৰ্বি অভিধান বুজি পাবনে?
আমি কাৰ্বি আৰু ইংৰাজী দুয়োটা ভাষাৰ অৰ্থৰ সৈতে দ্বিভাষিক অভিধান তৈয়াৰ নকৰো কিয়?
মই ইয়াত কাৰ্বি শব্দৰ ভিন্ন ৰূপসমূহো অন্তৰ্ভুক্ত কৰিম।
চিকাৰী আৰু গাওঁৰ জ্যেষ্ঠসকলে অভিধানৰ কাম আৰম্ভ কৰিলে। কেইমাহমানৰ পিছত -
শুভ সন্ধ্যা, চিকাৰী খুড়া! আপুনি কি কৰি আছে?
ছু... গুৰুত্বপূৰ্ণ কাম যেন লাগিছে। আমি খেলিবলৈ যাওঁ আহা।
নাই, একো অসুবিধা নহয়। মই কাৰ্বি ভাষাৰ প্ৰতিটো শব্দ লিখি ভাষাটোক ৰক্ষা কৰাৰ চেষ্টা কৰিছো। আমি ইয়াৰ যত্ন নল'লে ই নাইকিয়া হৈ যাব পাৰে।




*কাৰ্বি ভাষাৰ শিশু

^অসমত জনজাতীয় ভাষা সংৰক্ষণৰ দিশত কাম কৰা লোকসকলৰ এটা গোট


পি এম মুৰুগেসন
‘আৱৰ্জনাৰ পৰা সৰ্বাধিক লাভ’ কৰ্মশালা; মই জনাই নাছিলো যে অলাগতিয়াল সামগ্ৰীৰ পৰা ইমানবিলাক বস্তু তৈয়াৰ কৰাটো সম্ভৱ।
এইটো আছিল আমাৰ বিদ্যালয়ে এই পৰ্যন্ত আয়োজন কৰা বিশেষ শ্ৰেণীসমূহৰ মাজত শ্ৰেষ্ঠতম।
যেতিয়া নায়াৰ চাৰ শ্ৰেণীলৈ আহিল –
চাৰ, মই ৰং দিয়া এই নাৰিকলৰ খোলাৰ কাপটো চাওক।
আৰু এই পেনহোল্ডাৰটো মই পুৰণি থাবুৰ পৰা তৈয়াৰ কৰিছিলো।
ধুনীয়া হৈছে! মই তোমালোকক মুৰুগেসনৰ কাহিনী কওঁ ৰ’বা, তেওঁ পেলনীয়া কলগছৰ আঁহৰ পৰা বিভিন্ন হস্তনিৰ্মিত সামগ্ৰী তৈয়াৰ কৰিছিল।
অষ্টম শ্ৰেণীত পঢ়ি থাকোতেই, মাদুৰাইৰ মেলাক্কাল গাঁৱৰ পি এম মুৰুগেসনে খেতিপথাৰত কাম কৰিবলৈ স্কুল বাদ দিবলগীয়া হৈছিল।
উহ!
এই ল’ৰাটোৰ একেবাৰে শক্তি নাই।
তেওঁলোক দৰিদ্ৰ আছিল, আৰু যেনেতেনে চলি থাকিবৰ বাবে পৰিয়ালৰ সকলো সদস্যই খেতিপথাৰত কাম কৰিবলগীয়া হৈছিল।
মুৰুগেসন তীক্ষ্ণ মন আৰু ভাল পৰ্যৱেক্ষণ শক্তিৰ অধিকাৰী আছিল। 2009 চনত, যেতিয়া তেওঁৰ বয়স 41 বছৰ হৈছিল –
আমি কলগছৰ প্ৰতিটো অংশই ব্যৱহাৰ কৰো, আনকি কাণ্ডৰ ভিতৰৰ অংশটোও খাও, কিন্তু বাহিৰৰ অংশটো জ্বলাই দিও। আমি সেই অংশটোও ব্যৱহাৰ কৰিব নোৱাৰো কিয়?
সেইটো উপযোগী হোৱা হ’লে নিশ্চয় বহুদিনৰ পূৰ্বেই কোনোবাই এইবিষয়ে ভাবিলেহেতেন।
মুৰুগেসন পতিয়ন যাব পৰা নাছিল।
কাণ্ডটোত বহু সংখ্যক তৰপ আছে... যদি আমি সেইবোৰ পৃথক কৰি তাৰপৰা আঁহ উলিয়াই লও... হুমমম...।


এদিনাখন –
আপুনি কি কৰিছে?
এইটো এটা স্পিনিং মেচিন যিটোৰে নাৰিকলৰ আঁহৰ পৰা ৰছী তৈয়াৰ কৰিব পাৰি। মই কলৰ আঁহৰ পৰা ৰছী তৈয়াৰ কৰিবলৈ চেষ্টা কৰি আছো
সেইটোৰে কাম নকৰিলে কিন্তু মুৰুগেসনে উদ্ভাৱনৰ চেষ্টা চলাই গ'ল। বহুত পৰীক্ষা-নিৰীক্ষা আৰু ভুলৰ পিছত –
মই সফল হ'লো। এই নতুন যন্ত্রটোৰ দ্বাৰা, আমি কলগছৰ কাণ্ডৰ পৰা ৰছী তৈয়াৰ কৰিব পাৰো।
মুৰুগেসনে নাৰিকলৰ বাবে ব্যৱহাৰ কৰা যন্ত্রটো কলগছৰ বাবে অভিযোজিত কৰিছিল!
চাইকেলৰ চকা আৰু পুলিৰ সৈতে, মুৰুগেসনে কলৰ আঁহ পকাই ৰছী তৈয়াৰ কৰিবলৈ সক্ষম হৈছিল।
কলৰ পৰা ৰছী! সহজে চিঙি যাব। সেয়া কোনে কিনিব?
যদি আমি সেইবিলাক শক্তিশালী কৰিবলৈ বেণীৰ দৰে গাঁঠো।
পতি-পত্নীয়ে একেলগে কাম কৰি পকোৱা আঁহবিলাক বেণীৰ দৰে গাঁঠিছিল আৰু শক্তিশালী ৰছী প্ৰস্তুত কৰিছিল।
কিন্তু ই এতিয়াও বজাৰৰ আন ৰছীৰ দৰে শক্তিশালী নহয়, সেয়েহে কোনেও কিনিব বিচৰা নাই।
মই হাৰ নেমানো। ইয়াৰ পৰা কিবা এটা বনাবলৈ চেষ্টা কৰো আহা।
বেগ, বাস্কেট, ফ্ল'ৰ মেট... পতি-পত্নীয়ে বুজিব পাৰিছিল যে তেওঁলোকৰ ৰছীৰে বহু বস্তু তৈয়াৰ কৰিব পাৰি।


সোনকালেই, মুৰুগেসনে এম.এছ. ৰছী উৎপাদন কেন্দ্ৰ নামৰ এটা কোম্পানী স্থাপন কৰে। তেওঁৰ দুজনীয়া গোটটো কম দিনতে দহজনলৈ বৃদ্ধি পালে। কিন্তু, ৰছী তৈয়াৰ কৰাটো এক অতি সময়-খৰচী প্ৰক্ৰিয়া আছিল।
আমি সকলোৱে গোটেই দিনটো কাম কৰিও বেছি উৎপাদন কৰিব নোৱাৰো। মেচিনটো হাতেৰে চলোৱাৰ সলনি ইয়াত এটা মটৰ সংলগ্ন কৰিলে কেনে হয়?
প্ৰক্ৰিয়াটো বেছ দ্ৰুত হৈ পৰিল আৰু মুৰুগেসনে তেওঁৰ আৱিস্কাৰ পেটেন্ট কৰিলে। 2016 চনত, তেওঁ এনে এটা যন্ত্ৰ সাজি উলিয়ায় যি একেলগে ছয়টা ৰছীৰ ৰোল বনাব পাৰে।
এতিয়া আমি 25,000 মিটাৰ ৰছী তৈয়াৰ কৰো। আগতে কেৱল 2,500 হে বনাব পাৰিছিলো!
আমি বহুতো মহিলাক চাকৰি দিছো। সেইটোৱে মোক বহুত সুখী কৰি তোলে।
সোনকালেই, 350ৰো অধিক মহিলা এই প্ৰক্ৰিয়াত জড়িত হৈছিল।
মুৰুগেসনে এটা স্বয়ংক্ৰিয় যন্ত্ৰও ডিজাইন কৰে যিটোৱে ৰছী তৈয়াৰ কৰাৰ লগতে গাঁঠিবও পাৰে। তেওঁ সোনকালেই সামগ্ৰী ৰপ্তানি কৰিবলৈ সক্ষম হৈছিল।
মই মোৰ সামগ্ৰীবোৰ কিমান দামত বিক্ৰী কৰিব খোজো ক্ৰেতাই মোক সুধিছে! এজন কৃষকক কোনেও মূল্য নুসোধে, ই বেছ প্ৰেৰণাদায়ক।
মুৰুগেসনৰ সামগ্ৰীসমূহ বায়’ডিগ্ৰেডেবল আৰু প্লাষ্টিকৰ এক কম-খৰচী বিকল্প। তেওঁ কৃষি-উদ্ভাৱনৰ বাবে কেইবাটাও ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক বঁটা লাভ কৰিছে। তেওঁ এতিয়া আনক এই পদ্ধতিৰ বিষয়ে প্ৰশিক্ষণ দিয়ে আৰু চৰকাৰৰ বাবে যন্ত্ৰও নিৰ্মাণ কৰে।
2021 চনত প্ৰধানমন্ত্ৰী মোডীয়ে আৱৰ্জনাক সম্পদলৈ ৰূপান্তৰিত আৰু কৃষকসকলৰ বাবে অতিৰিক্ত উপাৰ্জনৰ পথ প্ৰশস্ত কৰাৰ বাবে মন কি বাতত তেওঁক প্ৰশংসা কৰে।



# মন কি বাত

## খণ্ড – 3

মন কি বাতৰ তৃতীয় খণ্ডটোৱে বিভিন্ন ক্ষেত্ৰৰ এনে নাগৰিকসকলৰ ওপৰত আলোকপাত কৰিছে যি অন্য লোকসকলৰ জীৱন উন্নত কৰাৰ হকে কাম কৰি আছে।

যেতিয়া ক'ভিড-19 আৰম্ভ হৈছিল আৰু শ্ৰীনগৰৰ হ্ৰদত বাস কৰা লোকসকল অসুস্থ হৈ পৰিছিল, তেতিয়া তাৰিক আহমেদ পাটলুৱে তেওঁলোকক চিকিৎসালয়লৈ লৈ যোৱাৰ বাবে এখন নাও এম্বুলেন্স নিৰ্মাণ কৰিছিল।

মন শ্বুগু হৈছে কাগজ তৈয়াৰ কৰাৰ এক 1,000 বছৰ পুৰণি জনজাতীয় কলা আৰু ই বিলুপ্তিৰ পথত আগবাঢ়িছিল। অৰুণাচল প্ৰদেশৰ মালিং গোম্বুৱে ইয়াৰ পুনৰুজ্জীৱিতকৰণৰ নেতৃত্ব দিয়াৰ লগতে কেইবা ডজন লোকক জীৱিকাৰ পদ প্ৰদান কৰিছিল।

আপুনি সাগৰপৃষ্ঠৰ পৰা 14,000 ফুট উচ্চতাত তৰমুজ খেতি কৰাৰ বিষয়ে শুনিছেনে? লাডাখৰ এজন অভিনৱ কৃষক উৰগেইন ফুনচ'গ সেয়া কৰিবলৈ সক্ষম হৈছে।

প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোডীৰ জনপ্ৰিয় ৰেডিঅ' অনুষ্ঠানৰ পৰা সংগ্ৰহ কৰা এইবোৰ হৈছে সাধাৰণ মানুহৰ কাহিনী যি অসম্ভৱকো সম্ভৱ কৰি তুলিছে।



₹90
www.amarchitrakatha.com
ISBN 978-81-19242-94-8
9 788119 242948